# 6 SEM TDC GEAS (CBCS) 6 (A/B/C/D)

**2025**

( May )

ASSAMESE

( Generic Elective )

Paper : GE–6 (A/B/C/D)

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–6 (A)

**( অসমীয়া সাহিত্যৰ শিক্ষণ পদ্ধতি )**

**( Teaching of Assamese Literature )**

১। (ক) সাহিত্য শিক্ষণ বুলিলে কি বুজা? শিক্ষণ ব্যৱস্থাত সাহিত্য শিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰাঁ। ৪+(৬+৬)=১৬

অথবা

(খ) সাহিত্য শিক্ষণৰ লগত জড়িত বিভিন্ন দিশসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ১৬

২। (ক) শিক্ষকে পাঠ-পৰিকল্পনা প্ৰস্তুত কৰোঁতে গুৰুত্ব দিবলগা দিশসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৬

*অথবা*

(খ) পাঠ-পৰিকল্পনা কি? সাহিত্য শিক্ষণ ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত পাঠ-পৰিকল্পনাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাঁ। ৪+১২=১৬

৩। (ক) কবিতাৰ শিক্ষাদানৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৮+৮=১৬

*অথবা*

(খ) কবিতা শিক্ষণৰ যি কোনো দুটা পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৮+৮=১৬

৪। (ক) গদ্য শিক্ষণৰ সাধাৰণ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ৮+৮=১৬

*অথবা*

(খ) হাৰ্বাৰ্টৰ পঞ্চাংক পদ্ধতি কি? গদ্য শিক্ষণত এই পঞ্চাংক পদ্ধতিৰ কেনেদৰে ব্যৱহাৰ কৰা হয়, আলোচনা কৰাঁ। ৫+১১=১৬

৫। (ক) সাহিত্যৰ নান্দনিক সৌন্দৰ্য বিচাৰৰ ক্ষেত্ৰত কোনবোৰ দিশৰ বিচাৰ কৰা হয়, আলোচনা কৰাঁ। ১৬

*অথবা*

(খ) সাহিত্যৰ সৌন্দৰ্য আৰু ৰচনাৰীতি—শীৰ্ষক এটি আলোচনা আগবঢ়োৱাঁ।

Paper : GE–6 (B)

( অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি )

**( Teaching of Assamese Language )**

১। (ক) ভাষা শিক্ষণৰ উদ্দেশ্য আৰু গুৰুত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১৬

*অথবা*

(খ) ভাষা শিক্ষণৰ কৌশল কেইটা আৰু কি কি? ভাষা শিক্ষণত যি কোনো দুটা কৌশলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা। ২+(৭+৭)=১৬

২। (ক) অসমীয়া ভাষাৰ মূল সম্বন্ধে প্ৰচলিত মতকেইটা উল্লেখ কৰা। এই মতকেইটাৰ ভিতৰত তুমি কোনটো মত গ্ৰহণীয় বুলি ভাবা, আলোচনা কৰা। ৬+৬=১২

*অথবা*

(খ) উৎস অনুসৰি অসমীয়া ভাষাৰ শব্দসম্ভাৰক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি? অসমীয়া ভাষাত সংস্কৃতমূলীয় শব্দৰ বিষয়ে আলোচনা কৰা। ৫+৭=১২

৩। (ক) ব্যাকৰণ শিক্ষণৰ আৰোহী (inductive) আৰু অৱৰোহী (deductive) পদ্ধতিৰ বিষয়ে আলোচনা কৰা। ৭+৭=১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ বৈয়াকৰণিক বিশেষত্বৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১৪

৪। (ক) অসমীয়া ভাষা উচ্চাৰণত কেনেধৰণৰ সমস্যা পোৱা যায়, আলোচনা কৰা। ১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ আখৰ-জোঁটনিত পৰিলক্ষিত হোৱা সমস্যাৰ বিষয়ে আলোচনা কৰা।

৫। (ক) অসমৰ ভাষিক প্ৰেক্ষাপটত দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা শিকাৰ উদ্দেশ্যৰ বিষয়ে আলোচনা কৰা। ১৬

*অথবা*

(খ) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা আয়ত্ত কৰাৰ সহায়ক দিশবোৰৰ বিষয়ে আলোচনা কৰা।

৬। উত্তৰ দিয়াঁ : ১×৬=৬

(ক) অসমীয়া এটা আৰ্যমূলীয়/অনাৰ্যমূলীয় ভাষা।

( শুদ্ধটো লিখাঁ )

(খ) 'জহা' শব্দটো কোন ভাষাৰ পৰা অহা?

(গ) 'অসমীয়া ভাষা শিক্ষণ পদ্ধতি'ৰ লেখক কোন?

(ঘ) অসমীয়া ভাষাৰ নিম্ন-মধ্য স্বৰধ্বনিটো কি?

(ঙ) এটা ক্ৰিয়াহীন অসমীয়া বাক্যৰ উদাহৰণ দিয়াঁ।

(চ) 'ক্ষ' যুক্তাক্ষৰটোত কি কি আখৰ আছে?

Paper : GE–6 (C)

( লোক-পৰিবেশ্য কলা )

( **Performing Arts** )

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'ফাৰকান্তি' কোনটো জনগোষ্ঠীৰ লোকনৃত্য?

(খ) মুৰি তংপ কোন জনগোষ্ঠীৰ বাদ্যযন্ত্ৰ?

(গ) 'বাগৰুম্বা' শব্দৰ অৰ্থ কি?

(ঘ) ওজাপালি অনুষ্ঠানৰ ওজাৰ সহায়কসকলক কি নামেৰে জনা যায়?

(ঙ) গুম্ৰাগ কোন জনগোষ্ঠীৰ নৃত্য?

(চ) ঝুমুৰ নৃত্যত ব্যৱহাৰ কৰা প্ৰধান বাদ্যযন্ত্ৰটিৰ নাম কি?

(ছ) দেওধনী নৃত্যৰ লগত মণিপুৰৰ কোনবিধ নৃত্যৰ সাদৃশ্য আছে?

(জ) 'উজনি অসমৰ লোকনৃত্য' গ্ৰন্থখনৰ সম্পাদক কোন?

২। যি কোনো **আঠোটাৰ** উত্তৰ দিয়াঁ : ২×৮=১৬

(ক) সুষিৰ বাদ্য আৰু ঘন বাদ্যৰ এটাকৈ উদাহৰণ দিয়াঁ।

(খ) মাঞ্চেলেংকা আৰু বাতিক্তিকা কি? ইহঁত কিহৰ প্ৰতীক?

(গ) ওজাপালিৰ লগত সাদৃশ্য থকা দুবিধ পৰিবেশ্য কলাৰ নাম লিখাঁ।

(ঘ) কুশান গানৰ ওজাজনক কি নামেৰে জনা যায়? তেওঁৰ দক্ষিণহস্তস্বৰূপ সহায়কজনক কি বোলা হয়?

(ঙ) গুম্‌ৰাগ নৃত্য কেতিয়া, কোন উৎসৱত পৰিবেশন কৰে?

(চ) অসমত প্ৰচলিত দুবিধ পুতলানাচৰ নাম লিখাঁ।

(ছ) দেওধনীয়ে কি প্ৰসংগত 'মাইনাও নাচ' আৰু 'মেছা নাচ' নাচে?

(জ) লোকনৃত্যৰ দুটা বৈশিষ্ট্য লিখাঁ।

(ঝ) খুলীয়া ভাউৰীয়া অনুষ্ঠানত ব্যৱহাৰ কৰা দুবিধ বাদ্যযন্ত্ৰৰ নাম লিখাঁ।

(ঞ) বিহুৱা ডেকাই কঁকালত আৰু হাতত বন্ধা বস্ত্ৰ দুবিধৰ নাম লিখাঁ।

৩। (ক) 'লোক' শব্দৰ তাৎপৰ্য বিচাৰ কৰাঁ। ১২

*অথবা*

(খ) সুকুমাৰ কলা কাক বোলে, বিৱৰি আলোচনা কৰাঁ। ২+১০=১২

৪। (ক) "লোক-পৰিবেশ্য কলাই হওক বা পৰিবেশ্য কলাই হওক বা জনজাতীয় পৰিবেশ্য কলাই হওক—ই সংস্কৃতিৰ আন তিনিটা ক্ষেত্ৰ বা দিশৰ সৈতে অংগাংগী সম্পৰ্ক ৰক্ষা কৰি আহিছে।" কথাষাৰৰ আধাৰত সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ লগত পৰিবেশ্য কলাৰ সম্পৰ্ক নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ১২

*অথবা*

(খ) পৰিবেশ্য কলাৰ শ্ৰেণী-বিভাজন কৰি যি কোনো এটা শ্ৰেণীৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ।

৫। (ক) লোক-পৰিবেশ্য কলাৰ অংগ হিচাপে গায়ক আৰু নৰ্তকৰ গুৰুত্ব বিচাৰ কৰাঁ। ১২

অথবা

(খ) বাদ্যযন্ত্ৰৰ বিবিধ ভাগৰ পৰিচয় দি লোক-পৰিবেশ্য কলাত বাদ্যযন্ত্ৰৰ গুৰুত্ব বিচাৰ কৰাঁ। ৬+৬=১২

৬। চমু টোকা লিখাঁ (যি কোনো চাৰিটা) ঃ ৫×৪=২০

(ক) কথক

(খ) দেওধনী নৃত্য

(গ) গুম্‌ৰাগ

(ঘ) কুশান গান

(ঙ) ফাৰকান্তি

(চ) পুতলানাচ

Paper : GE–6 (D)

( অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন )

**( Culture of Assam and Cultural Tourism )**

১। (ক) অসমৰ সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰেক্ষাপট সম্পৰ্কে এটা আলোচনা আগবঢ়োৱাঁ। ১৩

অথবা

(খ) "অসমৰ প্ৰাকৃতিক পৰিবেশ আৰু জনজাতীয় গাঁওসমূহে অসমৰ পৰ্যটন ক্ষেত্ৰখনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।" আলোচনা কৰাঁ।

২। (ক) সাংস্কৃতিক পৰ্যটন মানে কি বুজা? অসমৰ প্ৰেক্ষাপটত সাংস্কৃতিক পৰ্যটনৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) সেউজ পৰ্যটন আৰু ধৰ্ম পৰ্যটনৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ৭+৭=১৪

৩। (ক) অসমৰ সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনাময় দিশবোৰৰ বিষয়ে আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) অসমৰ সাংস্কৃতিক পৰ্যটনৰ প্ৰত্যাহ্বানবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ।

৪। যি কোনো **দুটাৰ** ওপৰত চমু টোকা লিখাঁ : ৫×২=১০

(ক) অসমৰ চিকিৎসা পৰ্যটন আৰু প্ৰত্যাহ্বান

(খ) অসমৰ নদী পৰ্যটন আৰু সম্ভাৱনা

(গ) যোগাযোগ ব্যৱস্থা আৰু পৰ্যটন

৫। যি কোনো **চাৰিটাৰ** বিষয়ে চমুকৈ লিখাঁ : ৭×৪=২৮

(ক) জনজাতীয় আৱাসস্থলীৰূপে মাজুলী

(খ) ধৰ্মীয় আৰু সাংস্কৃতিক সমন্বয়থলী হাজো

(গ) পুৰাতাত্ত্বিক পৰ্যটনথলীৰূপে গুৱাহাটী

(ঘ) জোনবিল মেলা আৰু পৰ্যটনৰ সম্ভাৱনা

(ঙ) অসমৰ প্ৰাকৃতিক পৰিবেশ আৰু পৰ্যটন

(চ) অসমৰ পৰ্যটন ক্ষেত্ৰখনত শিৱসাগৰৰ গুৰুত্ব আৰু সম্ভাৱনা

★ ★ ★